**৬.০৫ একবচনৰ অৰ্থ প্ৰকাশ কৰাৰ উপায় ঃ** অসমীয়া ভাষাত একবচনৰ অৰ্থ প্ৰকাশ কৰিবলৈ নিৰ্দিষ্ট কোনো সৰ্গ বা প্ৰত্যয় নাই। সাধাৰণতে প্ৰাণী বা বস্তুৰ আকৃতি-প্ৰকৃতি বুজোৱা নিৰ্দিষ্টতাবাচক সৰ্গ (Enclitic definitives বা Classifiers) কিছুমানকে নাম পদৰ পাছত ব্যৱহাৰ কৰি একবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে — **মানুহজন, গছজোপা, বঠাপাট, নদীখন** আদি। এই শব্দকেইটাত ব্যৱহৃত **জন, জোপা, পাট** আৰু **খন** সৰ্গই নামপদকেইটাৰ আকৃতি-প্ৰকৃতি বুজোৱাৰ লগতে মানুহ, গছ, ব'ঠা আৰু নদীৰ সংখ্যা যে এক, সেয়া নিৰ্দিষ্ট কৰি দিছে। এইদৰে বিভিন্ন উপায়েৰে অসমীয়া ভাষাত একবচনৰ অৰ্থ

প্ৰকাশ কৰিব পাৰি। সেইবোৰ হৈছে ঃ

৬.০৫.১. কোনো সৰ্গ যোগ নকৰাকৈ কেৱল বিশেষ সংজ্ঞাবাচক বিশেষ্য (Proper noun) আৰু ঘাইকৈ কেইটামান ব্যক্তিবাচক আৰু নিৰ্দেশবোধক সৰ্বনাম (Peronal pro-noun) অকলে ব্যৱহাৰ কৰি একবচন বুজোৱা হয়। যেনে —

**নবীন** দিল্লীলৈ গৈছে।

**ৰীতাই** বৰ ভাল লেখে।

**মই** পঢ়িছো।

**তুমি** পঢ়িছা।

**সি/তাই/তেওঁ** পঢ়িছে।

**ই/এওঁ/এখেত** ঘৰতে আছে।

উল্লিখিত বাক্যকেইটাত ব্যৱহৃত বৰ হাতৰ শব্দকেইটাই কেৱল এজনৰ অৰ্থহে প্ৰকাশ কৰিছে।

৬.০৫.২. কেতিয়াবা বিশেষ সংজ্ঞাবাচক বিশেষ্যৰ পাছতো নিৰ্দিষ্টকৈ বুজাবলৈ টো, জনী, খন আদি যোগ কৰি একবচন বুজোৱা হয়। যেনে —

**আকাশটো** বৰ ভাল ল'ৰা।

**অনুৰাধাজনী** এতিয়াও নাহিল।

**গুৱাহাটীখন** বৰ লেতেৰা হৈছে।

৬.০৫.৩. এক সংখ্যা শব্দৰ এ-ৰ লগত বিশেষ বিশেষ নামপদৰ ব্যৱহাৰেও একবচন বুজায়। এ-যুক্ত নামপদবোৰ অনিৰ্দিষ্টতাবাচক। যেনে — এনিশা, এদিন, এগিলাচ, এমাহ আদি।

৬.০৫.৪. এক সংখ্যা শব্দৰ এ-ৰ লগত জন, খন, ডাল, পাট আদি নিৰ্দিষ্টতাবাচক সৰ্গ যোগ কৰি নামপদৰ আগত বা পাছত ব্যৱহাৰ কৰিলেও একবচনৰ অৰ্থ প্ৰকাশ পায়। যেনে — এজন মানুহ, গছ এডাল, এখন নদী আদি। 'এক' সংখ্যাৰ লগত নিৰ্দিষ্টতাবাচক সৰ্গ লগ লাগিলেও ইবোৰে নামপদৰ অনিৰ্দিষ্টতাহে প্ৰকাশ কৰে।

৬.০৫.৫. বচন নিৰপেক্ষ ৰূপৰ পাছত নিৰ্দিষ্টতাবাচক সৰ্গ যোগ কৰিও বচন নিৰপেক্ষ ৰূপটোক একবচনলৈ ৰূপান্তৰ কৰা হয়। যেনে — **ল'ৰাজন, হাতীটো, শৰপাট, যাঠিপাট** আদি।

৬.০৫.৬. **প্ৰতি** বা **প্ৰত্যেক** শব্দৰ পাছত নিৰ্দিষ্টতাবাচক সৰ্গ যোগ কৰি নামপদৰ আগত বা পাছত ব্যৱহাৰ কৰিলেও একবচনৰ অৰ্থ প্ৰকাশ পায়। যেনে — **প্ৰতিজন** বা **প্ৰত্যেকজন** ছাত্ৰ, ছাত্ৰ **প্ৰতিজনেই** ভাল, **প্ৰতিখন** কিতাপ আদি।

৬.০৫.৭. কেতিয়াবা নিৰ্দিষ্টতাবাচক সৰ্গবোৰ -এ কাৰান্ত কৰি তাৰপাছত প্ৰতি শব্দ ব্যৱহাৰ কৰিও একবচন বুজোৱা হয়। যেনে — **জনে প্ৰতি, খনে প্ৰতি, ডালে প্ৰতি** আদি।

৬.০৫.৮. বিশেষ পৰিৱেশত জনমূৰি, গাইমূৰি বা গাইপতি শব্দ প্ৰয়োগ কৰিও একবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে — **জনমূৰি** আয় কিমান? পনিয়ল **গাইপতি**